অধ্যায় ১৩ ঃ নাট্যকাৰ ভট্টনাৰায়ণৰ পৰিচয়

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ নাট্যকাৰ ভট্টনাৰায়ণৰ জীৱনবৃত্ত
১৩.৪ নাট্যকাৰৰ সময়
১৩.৫ ধাৰ্মিক বিশ্বাস
১৩.৬ নাট্যকাৰৰ পাণ্ডিত্য
১৩.৭ নাট্যকাৰ ভট্টনাৰায়ণৰ লিখনিৰ বৈশিষ্ট্য
১৩.৮ সংস্কৃত নাট্যকাৰসকলৰ ভিতৰত ভট্টনাৰায়ণৰ স্থান
১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.১০ অধিক জানিবলৈ
১৩.১১ অগ্রগতিৰ খতিয়ান
১৩.১২ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নাট্যকাৰ ভট্টনাৰায়ণৰ জীৱন সম্পৰ্কে সবিশেষ জানিব পাৰিব
- ভট্টনাৰায়ণৰ সময়ৰ বিষয়েও জ্ঞান লাভ কৰিব
- নাট্যকাৰে বিভিন্ন দিশত দেখুওৱা পাণ্ডিত্যৰ বিষয়েও জানিব পাৰিব
- নাট্যকাৰ ভট্টনাৰায়ণৰ লিখনিৰ বৈশিষ্ট্যৰ লগতো পৰিচিত হ'ব পাৰিব।

১৩.২ পৰিচয়

আপুনি আগৰ অধ্যায়ত ভাস ৰচিত স্বপ্নবাসবদত্তম্, কালিদাস বিৰচিত অভিজ্ঞানশকুন্তলম্ নাটকৰ বিভিন্ন দিশৰ লগত পৰিচিত হ'ল। এই অধ্যায়ত আপুনি ভট্টনাৰায়ণ বিৰচিত বেণীসংহাৰ নাটকৰ নাট্যকাৰৰ লগতে নাটকখনৰ বিষয়বস্তুৰ লগতো অৱগত হ'ব। সংস্কৃত সাহিত্যৰ ইতিহাসত নাট্যকাৰ ভট্টনাৰায়ণৰ স্থান সুকীয়া। 'বেণীসংহাৰ' নাটকখনেই তেখেতৰ একমাত্ৰ কৃতি। ভট্টনাৰায়ণৰ জীৱনৰ বিষয়ে বিশেষ জনা নাযায়। আনকি নাটকখনতো নাট্যকাৰে নিজৰ বিষয়ে একোকেই সুস্পষ্টভাবে উল্লেখ কৰা নাই। আন্তঃ আৰু বহিঃ সাক্ষ্যবিলাকৰ ওপৰত ভিত্তি কৰি গৱেষকসকলে নাট্যকাৰগৰাকীৰ বিষয়ে বিভিন্ন তথ্য প্ৰকাশ কৰিছে। এই অধ্যায়ত আপুনি নাট্যকাৰগৰাকীৰ আবিৰ্ভাৰ কাল, জীৱনবৃত্তান্ত, পাণ্ডিত্য আৰু নাটকখনৰ বৈশিষ্ট্যৰ বিষয়ে অৱগত হ'ব।

১৩.৩ নাট্যকাৰ ভট্টনাৰায়ণৰ জীৱনবৃত্ত

অধ্যায়টিৰ বিষয়ে পৰিচয় জনাৰ পিছত ভট্টনাৰায়ণৰ জীৱন সম্পৰ্কে এতিয়া আপুনি জানিবলৈ পাৰিব। বেণীসংহাৰ নাটকৰ ৰচয়িতা ভট্টনাৰায়ণৰ জীৱনৰ বিষয়ে কোনো তথ্য উপলব্ধ নহয়। বঙ্গদেশত প্ৰচলিত পৰম্পৰা মতে ভট্টনাৰায়ণ বঙ্গদেশৰ শাসক আদিশূৰে কনৌজৰ পৰা আমন্ত্ৰণ কৰি অনা পাঁচগৰাকী গৌড়ব্ৰাহ্মণৰ এগৰাকী। মহাৰাজ আদিশূৰে বসবাসৰ বাবে ভট্টনাৰায়ণক পাঁচখন গাঁও প্ৰদান কৰিছিল। কালক্ৰমত আৰু গাঁও তেওঁৰ অধীনলৈ অহাত ক্ৰমান্বয়ে অধিপতি হৈ ৰাজবংশৰ প্ৰবৰ্তক হ'ল। বঙ্গদেশৰ ৰাজবংশাৱলী 'ক্ষিতীশবংশাৱলী চৰিত'ত এই ইতিহাস পোৱা যায়। নাটকখনিৰ প্ৰস্তাৱনাত নাট্যকাৰৰ 'মৃগৰাজ' নামৰ এটি উপাধিৰ উল্লেখ পোৱা যায়। এই উপাধি কোনো 'শাসনকৰ্তা' ই দিয়া নে কোনো অনুষ্ঠান প্ৰদত্ত এই বিষয়ে কোনো উল্লেখ নাই। 'মৃগৰাজ' শব্দটিৰ অৰ্থ 'সিংহ' নে 'চন্দ্ৰ' এই বিষয়েও নিশ্চিত নহয়। শ্লোকসংগ্ৰহসমূহত ভট্টনাৰায়ণক 'নিশা নাৰায়ণ' বুলি উল্লেখ কৰিছে। নাট্যকাৰগৰাকীয়ে নিশাৰ সময়ৰ সুন্দৰ বৰ্ণনা দিয়াৰ বাবে এই নাম দিয়া হৈছে।

ভট্টনাৰায়ণৰ নামৰ পৰা তেখেত ব্ৰাহ্মণ নে ক্ষত্ৰিয় মতভেদ দেখা যায়। ৰাজবংশাৱলীসমূহত ভট্টনাৰায়ণৰ নাম উল্লেখ থকা বাবে বহুতেই তেখেতক ক্ষত্ৰিয় বুলি প্ৰতিপাদন কৰে। কিন্তু নামৰ লগত 'ভট্ট' শব্দৰ ব্যৱহাৰ কেৱল ব্ৰাহ্মণসকলেহে কৰিছিল। গতিকে নাট্যকাৰ ভট্টনাৰায়ণ ব্ৰাহ্মণ আছিল বুলি ধাৰণা হয়।

নাট্যকাৰ ভট্টনাৰায়ণে বেণীসংহাৰ নাটকৰ প্ৰস্তাৱনাত ক্ৰমে হৰি আৰু শিৱৰ স্তুতি কৰিছে। গতিকে এইটোৱে ইয়াৰ দ্বাৰা প্ৰতিপন্ন হয় যে নাট্যকাৰ দুয়োগৰাকী দেৱতাৰ আৰাধক। কিন্তু সমগ্ৰ নাটকখনি বৈষ্ণৱ চিন্তাধাৰাৰে প্ৰভাৱান্বিত। নাটকখনৰ আন্তঃ প্ৰমাণৰ পৰা এইটোও প্ৰতিপন্ন হয় যে কবি ভট্টনাৰায়ণ দেৱদেবীৰ উপাসক। লোক আৰু পৰলোকতো বিশ্বাসী আছিল। তেখেত ভাগ্যবাদী আছিল যদিও ভাগ্যতকৈ অধিক পুৰুষাৰ্থত বিশ্বাস কৰিছিল।

দণ্ডীয়ে 'অবন্তী সুন্দৰী কথা' নামৰ গ্ৰন্থত বাণ, ময়ূৰ কবিৰ লগত কোনো 'নাৰায়ণ' নামৰ কবিৰ প্ৰশংসা কৰিছে। কবি নাৰায়ণে তিনিখন গ্ৰন্থ ৰচনা কৰাৰ কথা উল্লেখ কৰিছে। কিন্তু কবি ভট্ট নাৰায়ণৰ কেৱল বেণীসংহাৰ নাটকেই উপলব্ধ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ভট্টনাৰায়ণে কেইখন নাটক লিখিছিল?

.....

.....

প্ৰশ্ন নং ২ঃ ভট্টনাৰায়ণে নিজৰ বাবে নাটকখনত কি বিশেষণৰ প্ৰয়োগ কৰিছে?

.....

.....

১৩.৪ নাট্যকাৰৰ সময়

কোনো কবিৰ কাল নিৰূপণৰ ববে সদা আন্তঃ সাক্ষ্য আৰু বহিঃ সাক্ষ্যৰ সহায় ল'বলগীয়া হয়। যদিহে বঙ্গৰ ৰাজবংশাৱলীত উল্লিখিত ভট্টনাৰায়ণ আৰু 'বেণীসংহাৰ' নাটকৰ ৰচয়িতা একেগৰাকীয়ে বুলি ধৰা হয়, তেন্তে নাট্যকাৰগৰাকীৰ কাল ভৱভূতিৰ সমসাময়িক অষ্টম শতাব্দীৰ আৰম্ভণি বা সপ্তম শতিকাৰ শেষভাগ বুলি গ্ৰহণ কৰিব পাৰি। ৰজা আদিশূৰ আছিল সেনবংশৰ প্ৰতিষ্ঠাতা। এই আদিশূৰেই ভট্টনাৰায়ণকে ধৰি পাঁচগৰাকী ব্ৰাহ্মণ কনৌজৰপৰা বংগদেশলৈ অনাইছিল। আদিশূৰৰ সময়ো সপ্তম শতিকা বুলি ঠাৱৰ কৰা হৈছে। গতিকে ভট্টনাৰায়ণো সপ্তম শতিকাৰ শেষৰ ফালৰ বুলি অনুমান কৰিব পাৰি। অন্য শাস্ত্ৰকাৰসকলৰ উদ্ধৃতিয়েও ভট্টনাৰায়ণৰ এই সময় বুলিয়েই সমৰ্থন কৰে। আলংকাৰিক বামনে 'কাব্যালংকাৰসূত্ৰবৃত্তিত' আৰু আনন্দবৰ্দ্ধনে 'ধ্বন্যালোক'ত ভট্টনাৰায়ণৰ বেণীসংহাৰ উদ্ধৃত কৰিছে। গতিকে ভট্টনাৰায়ণ নিশ্চয় অষ্টম শতিকাৰ পূৰ্ববৰ্তী। ইয়াৰ উপৰিও একাদশ শতিকাৰ আলংকাৰিক মম্মটে বেণীসংহাৰৰ পৰা বহুতো উদ্ধৃতি দিছে। ভোজৰ 'সৰস্বতীকণ্ঠভৰণ' (১০৭০ খৃঃ) আৰু ধনঞ্জয়ৰ 'দশৰূপক'তো (দশম শতিকাৰ পিছৰ ভাগৰ) বেণীসংহাৰৰ উদাহৰণ প্ৰচুৰভাৱে ব্যৱহাৰ কৰিছে। এই সকলোবোৰ বিচাৰ কৰি চাই ভট্টনাৰায়ণক সপ্তম শতিকাৰ শেষৰ ভাগৰ অথবা অষ্টম শতিকাৰ আদি ভাগৰ বুলি নিৰ্ণয় কৰিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ ভট্টনাৰায়ণৰ নাম বংগদেশৰ কোনজন ৰজাৰ লগত জড়িত?

.....

.....

প্ৰশ্ন নং ৪ঃ ভট্টনাৰায়ণৰ বেণীসংহাৰৰ পৰা কোনগৰাকী আলংকাৰিকে পোন প্ৰথমেই উদ্ধৃতি দিছে?

.....

.....

১৩.৫ নাট্যকাৰৰ ধাৰ্মিক বিশ্বাস

এতিয়া আপুনি ভট্টনাৰায়ণৰ বেণীসংহাৰ নাটকখনত পোৱা মতে তেখেতৰ ধাৰ্মিক বিশ্বাসৰ বিষয়েও জানিবলৈ পাৰিব।

পূৰ্বতেই উল্লেখ কৰা মতে ভট্ট উপাধিধাৰী হোৱা বাবে নাট্যকাৰগৰাকী ব্ৰাহ্মণকুলৰ বুলি ধৰিব পাৰি। ইয়াৰ উপৰিও নাটকখনৰ আন্তঃ প্ৰমাণবিলাকেও এই কথাৰ প্ৰমাণ কৰে। বিশেষকৈ কৰ্ণ আৰু অশ্বত্থামাৰ বিবাদত ব্ৰাহ্মণ অশ্বত্থামাৰ প্ৰতি নাট্যকাৰৰ পক্ষপাতিত্বত এই কথা স্বীকৃত

হয়। কোনো কোনো সমালোচকৰ মতে মূৰ্খতা প্ৰতিপাদন কৰা ব্ৰাহ্মণ বিদূষকৰ চৰিত্ৰৰ অভাৱো আন এটি প্ৰমাণ। ইয়াৰ উপৰিও তৃতীয় অংকত ৰাক্ষস-ৰাক্ষসীৰ কথোপকথনৰ মন্তব্যৰ পৰাও এই কথা পৰিস্ফুট হয়।

এম, কৃষ্ণমাচাৰিয়াৰৰ মতে ধৰ্মকীৰ্তিৰ ৰূপাবতাৰ গ্ৰন্থৰ 'নীৰী' নামৰ টীকাত বাণভট্টৰ অনুৰোধত ভট্টনাৰায়ণে কোনো বৌদ্ধ সন্ন্যাসীৰ শিষ্যত্ব গ্ৰহণ কৰাৰ কথা উল্লেখ আছে। বৌদ্ধ দৰ্শনৰ বিষয়ে জ্ঞান আহৰণ কৰি তেওঁ ধৰ্মকীৰ্তিক পৰাজিত কৰিছিল। ৰূপাৱতাৰ গ্ৰন্থখন আচাৰ্য্য ধৰ্মকীৰ্তি আৰু ভট্টনাৰায়ণৰ যুটীয়া ৰচনা।

নান্দীশ্লোকত হৰি আৰু শিৱক আৰাধনা কৰাৰ বাবে নাট্যকাৰ ভট্টনাৰায়ণ এই দুয়োগৰাকী দেৱতাৰে উপাসক বুলি অনুমান কৰিব পাৰি। তথাপিও বৈষ্ণৱ চিন্তাধাৰাৰ পৰিচয় সমগ্ৰ নাটকখনত পোৱা যায়। সেই সময়ত বৈষ্ণৱ ধাৰাৰ প্ৰচলন হোৱা নাছিল বাবে কোনো কোনো সমালোচকে বৈষ্ণৱ ধাৰাৰ পূৰ্বৱৰ্তী পঞ্চৰাত্ৰ দৰ্শন নাটকখনত প্ৰতিফলিত হোৱা বুলি মত পোষণ কৰিছে।

ইয়াৰ উপৰিও ভোগবাদী দৰ্শন চাৰ্বাকক নাট্যকাৰ ভট্টনাৰায়ণে কৰা উপহাসৰ পৰা সেই সময়ৰ সমাজত প্ৰচলিত ধাৰ্মিক মানসিকতাৰ পৰিচয় পোৱা যায়।



জানি থোৱা ভাল

পঞ্চৰাত্ৰ ঃ হিন্দু দৰ্শনৰ এটি ভাগ। পঞ্চৰাত্ৰ দৰ্শন পিছত ভাগৱত পৰম্পৰাত সমিলমিল হৈছিল। বৈষ্ণৱ ধৰ্মৰ বিৱৰ্তন আৰু ক্ৰমবিকাশত পঞ্চৰাত্ৰ দৰ্শনৰ যথেষ্ট অৱদান আছে। পঞ্চৰাত্ৰ দৰ্শনৰ ব্যাখ্যাত্মক বহুতো আগম গ্ৰন্থ উপলব্ধ। নাৰায়ণ আৰু নাৰায়ণৰ অৱতাৰবাদৰ দাৰ্শনিক তত্ত্বব্যাখ্যাই পঞ্চৰাত্ৰ দৰ্শনৰ মূল সিদ্ধান্ত। দ্বৈত বেদান্ত, ৰামানুজৰ শ্ৰীনিবাস সম্প্ৰদায় আদিত পঞ্চৰাত্ৰ আগমৰ গ্ৰন্থসমূহৰ প্ৰভাব দেখিবলৈ পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ নাটকখনৰ নান্দী শ্লোকত স্তুতি কৰা এগৰাকী দেৱতাৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৬ঃ পঞ্চৰাত্ৰ দৰ্শনত মূল উপাস্য দেৱতা কোন?

.....

.....

১৩.৬ নাট্যকাৰৰ পাণ্ডিত্য

নাট্যকাৰ ভট্টনাৰায়ণৰ বেণীসংহাৰ নাটকখনেই একমাত্ৰ কৃতি। সুভাষিত সংগ্ৰহসমূহত ভট্টনাৰায়ণৰ নামত বহুতো শ্লোক পোৱা যায়। কিন্তু সেই সকলোবোৰ বেণীসংহাৰ নাটকত উপলব্ধ নহয়। সেয়েহে ভট্টনাৰায়ণৰ অন্য কোনো ৰচনা থকাৰ কথাও নুই কৰিব নোৱাৰি বা এই ভট্টনাৰায়ণৰ বাদেও অন্য কোনোবা ভট্টনাৰায়ণো সংস্কৃত সাহিত্যৰ ইতিহাসত থাকিব পাৰে বুলি অনুমান কৰিব পাৰি। যি কি নহওক 'বেণীসংহাৰ' নাটকত ৰচয়িতাই অত্যন্ত পাণ্ডিত্যৰ পৰিচয় দিছে। প্ৰাচীন পৰম্পৰা অনুসৰি নাট্যকাৰগৰাকী সৰ্বশাস্ত্ৰবিশাৰদ আছিল। নাটকখনৰ কাহিনীভাগ মহাভাৰতৰ পৰা লোৱা হৈছে। মূল মহাভাৰতৰ জ্ঞান নথকাকৈ কোনো ৰচয়িতাই এনে উচ্চখাপৰ নাটক ৰচনা কৰিব নোৱাৰিলেহেঁতেন। মহাভাৰতৰ বিভিন্নপৰ্বৰ ঘটনাসমূহ একত্ৰিত কৰি নাটকীয়ৰূপ প্ৰদান কৰি পাঠক আৰু দৰ্শকক প্ৰীতি প্ৰদান কৰিব পৰাতো নাট্যকাৰৰেই কৃতিত্ব। কাহিনীভাগতো নাট্যকাৰে পৰিৱৰ্তন নকৰাকৈ থকা নাই। ইয়েই নাট্যকাৰৰ নাটকীয় কৌশলৰ পৰিচয় দিয়ে। ভট্টনাৰায়ণৰ নিশ্চয় প্ৰাচীন কাব্য বা শাস্ত্ৰসমূহৰ জ্ঞান আছিল। এই কথাটি নাটকখনিত সুস্পষ্টভাৱে পৰিলক্ষিত হয়। বেণীসংহাৰ নাটকখনৰ দ্বিতীয় অংকত দুৰ্যোধনৰ পত্নী ভানুমতীয়ে সখীয়েকসকলৰ লগত নিভৃতে কৰা বাৰ্তালাপ দুৰ্যোধনে লতানিকুঞ্জৰ পৰা গোপনে শুনি থকা কাৰ্যই 'অভিজ্ঞনশকুন্তলম্' নাটকৰ কথা মনত পেলাই দিয়ে। কালিদাসৰ নাটকখনতো নায়ক দুষ্যন্তই মনে মনে সখীসকলৰ কথা শুনিছিল।

ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্ৰদায়সমূহৰ লগতো নাট্যকাৰ ভট্টনাৰায়ণ পৰিচিত আছিল। তলত উল্লেখ কৰা প্ৰথম অংকৰ শ্লোকটিত নাট্যকাৰৰ যোগদৰ্শনৰ সম্যক জ্ঞানৰ পৰিচয় পোৱা যায়।

আত্মাৰাত্মা বিহিতৰতয়ো নিৰ্বিকল্পে সমাধৌ
জ্ঞানোদ্ৰেকাদ্বিঘটিততমোগ্ৰন্ময়ঃ সত্বনিষ্ঠাঃ
যং বীক্ষ্যন্তে কমপি তমসাং জ্যোতিষাং বা পৰস্তা
ত্তং মোহান্ধাঃ কথময়মমুং বেত্তি দেবং পুৰাণম্।।

ভগবান কৃষ্ণৰ স্বৰূপৰ বিষয়ে দুৰ্যোধনৰ অজ্ঞতা বুজাবলৈ পৰমাত্মাক বিশেষিত কৰা শ্লোকটি প্ৰয়োগ কৰা তত্ত্বই লিখকৰ ভাৰতীয় দাৰ্শনিক পৰম্পৰাৰ জ্ঞানৰ চানেকি প্ৰদান কৰে।

ষষ্ঠ অংকত কৃষ্ণ আৰু যুধিষ্ঠিৰৰ বাৰ্তালাপত ভগবান শ্ৰীকৃষ্ণক বিশেষিত কৰা এটি শ্লোকত নাট্যকাৰৰ সাংখ্যদৰ্শনৰ গভীৰ জ্ঞানৰ পৰিচয় পোৱা যায়। উদাহৰণস্বৰূপে শ্লোকটি এনেধৰণৰ—

কৃতগুৰুমহদাদিক্ষোভসংভূতমূৰ্তিং
গুণিনমুদয়নাশস্থানহেতুং প্ৰজানাম্
অজমমৰমচিন্ত্যং চিন্তয়িত্বাহপি ন ত্বাং
ভবতি জগতি দুঃখী কিং পুনৰ্দেব দৃষ্ট্বা।

শ্লোকটিত সাংখ্যদর্শনত উল্লেখ কৰা মতে, মহৎ আদি চতুৰ্বিংশতি তত্ত্বৰ, পঞ্চতন্মাত্ৰ, প্ৰকৃতিৰ বিকৃতি হৈ সৃষ্টিতত্ত্বৰ প্ৰসংগৰ সংকেত দিছে।

বৈদিক যাগযজ্ঞ আৰু লৌকিক কৰ্মকাণ্ড আদিতো নাট্যকাৰ পৰিচিত আছিল। নিম্নলিখিত শ্লোকটিত ইয়াৰ প্ৰমাণ পোৱা যায়।

চত্বাৰো বয়মৃত্বিজঃ স ভগবান্ কৰ্মোপদেষ্টা হৰিঃ।
সংগ্ৰামাধ্বৰদীক্ষিতো নৰপতিঃ পত্নী গৃহীতব্ৰতা
কৌৰব্যাঃ পশবঃ প্ৰিয়পৰিভবক্লেশোপশান্তিঃ ফলং
ৰাজন্যোপনিমন্ত্ৰণায় ৰসতি স্ফীতং যশোদুন্দুভিঃ

শ্লোকটিত চাৰিগৰাকী ঋত্বিক, যজ্ঞসঞ্চালক কৰ্মোপদেষ্টা যজ্ঞত দীক্ষিত যজমান, যজ্ঞৰ পশু, নিমন্ত্ৰিত ৰাজন্যসকল, এই সকলোবোৰ যাজ্ঞিক উপাদানৰ কৌৰৱ পাণ্ডবৰ সংগ্ৰামৰূপী যজ্ঞত খাপ খোৱাকৈ সুন্দৰকৈ উপস্থাপন কৰিছে।

কবিৰ সকলোতকৈ বেছি পাণ্ডিত্য ফুটি উঠিছে নাট্যকাৰৰ কল্পনাশক্তিত। নাট্যকাৰে সমগ্ৰ মহাভাৰত পুংখানুপুংখৰূপে অধ্যয়ন কৰিছিল ঠিকেই কিন্তু স্বকীয় প্ৰতিভাৰে নাটকখনত যিবোৰ পৰিৱৰ্তন সাধন কৰিছিল সেইবোৰে নাটকখনৰ নাটকীয় গুণৰ উৎকৰ্ষহে সাধন কৰিছিল। নাটকখনৰ বিষয়বস্তুৰ নিৰ্বাচন, নামকৰণ, ভীমসেনক নায়কৰূপে প্ৰতিষ্ঠা কৰিবলৈ কৰা প্ৰয়াস আদি সকলো নাট্যকাৰৰ সাৰুৱা মনৰ পৰিচয়। তাৰোপৰি কৃষ্ণৰ দৌত্য, ভানুমতীৰ চৰিত্ৰ, সমস্ত দ্বিতীয় অংকটি এই সকলোবোৰ মূল মহাভাৰতত নথকা সত্বেও নাট্যকাৰে নিজৰ প্ৰতিভাৰে নাটকীয় উদ্দেশ্যৰ সাধন কৰিব পাৰিছে।

নাট্যকাৰ ভট্টনাৰায়ণে নাট্যশাস্ত্ৰৰ গভীৰ অধ্যয়নৰ পিছত বেণীসংহাৰ ৰচনা কৰিছিল। সেয়েহে পিছৰ নাট্যশাস্ত্ৰ লিখকসকলে নাটকৰ বিভিন্ন অংগসমূহৰ উদাহৰণ বেণীসংহাৰৰ পৰাই গ্ৰহণ কৰিছিল। ইয়েই নাট্যকাৰৰ পৈণত প্ৰজ্ঞাৰ পৰিচয় দিয়ে।

১৩.৭ নাট্যকাৰ ভট্টনাৰায়ণৰ লিখনিৰ বৈশিষ্ট্য

বেণীসংহাৰ এখন বীৰত্বব্যঞ্জক ৰূপক। ই 'নাটক' শ্ৰেণীৰ অন্তৰ্গত। এই নাটকখনৰ প্ৰধানৰস হ'ল বীৰৰস। নাটকখনত কবিয়ে নিজৰ প্ৰকাশভংগীৰ দ্বাৰা স্বকীয় বৈশিষ্ট্যতা প্ৰকাশ কৰি সংস্কৃত সাহিত্যৰ ইতিহাসত অনবদ্য স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। নাটকখনত নাট্যকাৰে নাট্যশাস্ত্ৰীয় সকলো আদৰ্শই অনুসৰণ কৰি প্ৰসিদ্ধি অৰ্জন কৰিছে। মুঠ ছটা অংকৰ সকলোটিৰে গঠনবিন্যাস মজবুত আৰু ইয়াৰ শৈলী ওজঃপূৰ্ণ। এম আৰ কালেই এই নাটকসম্বন্ধে এটি সুন্দৰ মন্তব্য এই সন্দৰ্ভত আগবঢ়াইছে— 'On the whole Venisamhara will be found to have many attractions for the general reader. As regards its dramatic construction it has been as often drawn upon as the Ratnavali for illustration by the writers on dramaturgy.'

অনন্য শৈলীৰ ৰচিত এই নাটকখনৰ সংলাপো প্ৰভাবশালী। বীৰৰসৰ বিচিত্ৰ সংযোজন

ইয়াত পদে পদে দেখিবলৈ পোৱা যায়। কেৱল বীৰৰসেই নহয়। অন্যান্য ৰসসমূহৰো প্ৰয়োগ এই নাটকখনত পদে পদে দেখিবলৈ পোৱা যায়। নাটকখনত ওজঃ নামৰ গুণ আৰু সমাসবহুল গৌড়ীৰীতিৰ পয়োভৰ দেখিবলৈ পোৱা যায়।

ভট্টনাৰায়ণে প্ৰয়োগ কৰা ভাষাও শক্তিশালী। মহাকবিৰ শব্দযোজনা আৰু অৰ্থযোজনা বিচিত্ৰ আৰু প্ৰশংসনীয়। দেশকাল, পাত্ৰ অনুসাৰে শব্দৰ প্ৰয়োগ আৰু প্ৰায়েই কঠিন শব্দৰ প্ৰয়োগ নাট্যকাৰৰ নাটকীয় শৈলীৰ অন্য এটা বৈশিষ্ট্য।

নাটকখনত ব্যৱহৃত ছন্দসমূহো গীতিময়, ৰস-যোজনাৰ লগত ছন্দৰ প্ৰয়োগো সামঞ্জস্যহীন নহয়। মন্দাক্ৰান্তা, দ্ৰুতবিলম্বিত, হৰিণী প্ৰভৃতি বিবিধ ছন্দৰ প্ৰয়োগ নাটকখনত দেখিবলৈ পোৱা যায়। বিভিন্ন অলংকাৰৰ উচিত সন্নিবেশ, অভিপ্ৰেতভাৱে ব্যৱহাৰ কৰা কাকুধ্বনিযুক্ত ভাষা আৰু বিষয়ানুৰূপ শৈলীও এই নাট্যকাৰৰ অন্য এটি বিশেষত্ব।

চঞ্চদ্‌ভুজভ্রমিতচণ্ডগদাভিঘাত
সঞ্চুর্ণিতোৰ্ৱযুগলস্য সুযোধনস্য
স্ত্যানাৰনদ্ধঘনশোণিতশোনিপানি
ৰূত্তংসয়িষ্যতি কচাংস্তৰ দেৱি। ভীমঃ ১/২১

ভীমৰ এনে বীৰৰসপূৰ্ণ উক্তিয়ে কাপুৰুষৰ হৃদয়তো উৎসাহৰ সঞ্চাৰ কৰিব। আনন্দবৰ্দ্ধনৰ নিচিনা আলংকাৰিকেও এই শ্লোকটি ৰৌদ্ৰৰসত দীৰ্ঘসমাসযুক্ত পদৰ ব্যৱহাৰৰ উদাহৰণ হিচাবে দেখুৱাইছে।

নাটকখনিত বৰ্ণনাত্মক অংশৰ ৰচনা ৰীতি শক্তিশালী কিন্তু অন্য অংশত সুষম। সাৱলীল আৰু ৰুচিবোধসম্পন্ন। কল্পনাশক্তিত কালিদাস বা ভৱভূতিৰ সমপৰ্যায়ৰ নহ'লেও নাটকখনিত কিছুমান সুন্দৰ চিন্তাধাৰাৰ পৰিচয় পোৱা যায়। ভট্টনাৰায়ণে সমসাময়িক কালৰ সমালোচকসকলক অনুসৰণ কৰি ওজঃগুণপ্ৰকাশক দীৰ্ঘসমাসযুক্ত গদ্যৰ প্ৰচুৰ ব্যৱহাৰ কৰিছে। ভৱভূতিৰ দৰেই অৱশ্যে পদ্যাংশত সৰল সমাস আৰু গদ্যাংশত বিশেষকৈ চতুৰ্থঅংশত কঠিন গদ্যৰো প্ৰয়োগ কৰিছে। ফলত কবিৰ স্বতঃস্ফূৰ্ততাৰ অভাব ঘটিছে। নাটকখনিত কিছুমান শব্দ আৰু ভাৱৰ পুনৰাবৃত্তি দেখিবলৈ পোৱা যায়। তথাপিও নাটকখনৰ সৌষ্ঠৱ ম্লান কৰিব পৰাকৈ শব্দসমূহৰ অভাবত প্ৰয়োগ অথবা শ্লেষাত্মক বাক্যৰ প্ৰয়োগ বেছিকৈ কৰা নাই।

সামগ্ৰিকভাৱে নাটকখন এখন আদৰ্শ নাটক। নাট্যকৌশলসমূহৰ ইয়াত যথাবিধি পালিত হৈছে। তথাপিও নাট্যকাৰৰ আতিশয্য দোষৰ ফলত কেতিয়াবা কৰুণৰসো ক্লান্তিজনক হৈ পৰিছে আৰু ভয়ানক ৰসৰো মাত্ৰাধিক হৈ পৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ঃ বেণীসংহাৰ নাটকখনত কি ৰস প্ৰধান?

.....

.....

প্ৰশ্ন নং ৮ঃ নাটকখনত কি ৰীতিৰ প্ৰয়োগ কৰিছে?

.....

.....

প্ৰশ্ন নং ৯ঃ ভট্টনাৰায়ণৰ লিখনিৰ এটা দোষ কি?

.....

.....

১৩.৮ সংস্কৃত নাট্যকাৰসকলৰ ভিতৰত ভট্টনাৰায়ণৰ স্থান

এতিয়া আপুনি সংস্কৃত নাট্যকাৰসকলৰ লগত ভট্টনাৰায়ণৰ তুলনাত্মক অধ্যয়ন পঢ়িবলৈ পাব।

ভট্টনাৰায়ণে সংস্কৃত নাট্যকাৰসকলৰ ভিতৰত অনবদ্য স্থান অধিকাৰ কৰিছে। নাটকীয় গাঁথনিয়েই হওঁক বা ৰসৰ প্ৰয়োগেই হওঁক বা চৰিত্ৰ ৰূপায়ণেই হওঁক ভট্টনাৰায়ণ আন সকলো নাট্যকাৰতকৈ কিছু পৃথক। সংস্কৃত নাটকৰ পৰম্পৰাত ভট্টনাৰায়ণ অকলেই নিজা ৰীতিৰে স্থিৰ হৈ জিলিকি আছে। নাট্যকাৰগৰাকীৰ নাটকৰ বিষয়বস্তু নিৰ্বাচন নাটকৰ নামকৰণো প্ৰশংসনীয়।

সংস্কৃত নাট্যজগতত কালিদাসকে আদি কৰি বহুসংখ্যক নাট্যকাৰে মহাভাৰতক উপজীব্য কৰি নাটক ৰচনা কৰিছে। কিন্তু ভট্টনাৰায়ণৰ নাটক মহাভাৰতাশ্ৰিত হ'লেও বিষয়বস্তুৰ নিৰ্বাচনত নিজৰ স্বকীয়তাৰ পৰিচয় দিছে।

ভট্টনাৰায়ণ আলংকাৰিকসকলৰো প্ৰিয় নাট্যকাৰ। সেই কাৰণেই নাট্যশাস্ত্ৰৰ প্ৰায়বিলাক পাৰিভাষিক প্ৰয়োগৰ উদাহৰণ বেণীসংহাৰৰ পৰাই দিয়ে। নাটকৰ প্ৰধান ৰস শৃংগাৰ বা বীৰ হোৱা উচিত যদিও বেছিভাগ প্ৰসিদ্ধ নাটকৰ প্ৰধান ৰস শৃংগাৰেই হোৱা দেখিবলৈ পোৱা যায়। ভট্টনাৰায়ণ এইক্ষেত্ৰত ব্যতিক্ৰম। সম্পূৰ্ণ বীৰৰসেৰে বেণীসংহাৰ ৰচনা কৰা হৈছে। বীৰৰস ব্যঞ্জিত কৰিবলৈ গৈ ভীমসেনক ধীৰোদ্ধত নায়ক হিচাবে অংকিত কৰিছে। ধীৰোদ্ধত নায়কৰ প্ৰসংগও নাটকীয় পৰম্পৰাত তেনেই তাকৰ। সেইফালৰ পৰা চাবলৈ গ'লে ভট্টনাৰায়ণ এগৰাকী তুলনাবিহীন নাট্যকাৰ।

প্ৰচলিত পৰম্পৰাৰ পৰা আঁতৰি গৈ নাটক ৰচনা কৰিবলৈ গৈ ভট্টনাৰায়ণ সমালোচনাৰ সন্মুখীন নোহোৱাকৈ থকা নাই। এ বি কীথৰ মতে ভট্টনাৰায়ণৰ নাটকত নাট্যকাৰ ভৱভূতিৰ প্ৰায়বিলাক দোষেই দেখিবলৈ পোৱা যায়। ভৱভূতিৰ দৰে সংস্কৃত আৰু প্ৰাকৃত দুয়োবিধ গদ্যতেই দীৰ্ঘসমাসবদ্ধ পদৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়।

যিয়েই নহওঁক কিয় সংস্কৃত নাট্যজগতত ভট্টনাৰায়ণ এগৰাকী অসামান্য নাট্যকাৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ঃ বেণীসংহাৰ নাটকৰ উৎস কি?

.....

.....

প্রশ্ন নং ১১ঃ শুদ্ধ উত্তৰ লিখক— ভট্টনাৰায়ণৰ বেণীসংহাৰ নাটক আলংকাৰিক/বৈয়াকৰণসকলৰ প্রিয়।

.....

.....



১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নাট্যকাৰ ভট্টনাৰায়ণৰ জীৱনসম্পর্কে কিছু তথ্য জানিলোঁ।
- ভট্টনাৰায়ণৰ সমসাময়িক কালছোৱাৰ বিষয়ে জ্ঞান লাভ কৰিলোঁ।
- নাট্যকাৰগৰাকীৰ পাণ্ডিত্য নাটকখনত কিদৰে পৰিস্ফুট হৈছে জানিব পাৰিলোঁ।
- নাট্যকাৰগৰাকীৰ লিখনিৰ বৈশিষ্ট্যৰ সম্বন্ধেও জ্ঞান লাভ কৰিলোঁ।



১৩.১০ অধিক জানিবলৈ

১) শাস্ত্রী, চি শংকৰ ৰাম, (১৯৪৩), *বেণীসংহাৰ*, মাদ্রাচ।

২) কালে, এম্ আৰ, (১৯৭৭), *বেণীসংহাৰ*, দিল্লী।

৩) ত্রিপাঠী, ড° ৰমাশংকৰ, (২০১০), *বেণীসংহাৰ*, দিল্লী।



১৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ভট্টনাৰায়ণে মাত্র এখন নাটক লিখিছিল।

২ নং প্রশ্নৰ উত্তৰঃ ভট্টনাৰায়ণে নাটকখনত নিজৰ বাবে মৃগৰাজ বিশেষণৰ প্রয়োগ কৰিছে।

৩ নং প্ৰশ্নৰ উত্তৰঃ ভট্টনাৰায়ণ বংগদেশৰ ৰজা আদিশূৰৰ লগত জড়িত।

৪ নং প্ৰশ্নৰ উত্তৰঃ ভট্টনাৰায়ণৰ বেণীসংহাৰ নাটকৰ পৰা বামনে পোনপ্ৰথমবাৰৰ বাবে উদ্ধৃতি দিছে।

৫ নং প্ৰশ্নৰ উত্তৰঃ নাটকখনৰ নান্দীশ্লোকত স্তুতি কৰা এগৰাকী দেৱতা হৰি।

৬ নং প্ৰশ্নৰ উত্তৰঃ পঞ্চৰাত্ৰ দৰ্শনত মূল উপাস্য দেৱতা নাৰায়ণ।

৭ নং প্ৰশ্নৰ উত্তৰঃ বেণীসংহাৰ নাটকখন বীৰৰস প্ৰধান।

৮ নং প্ৰশ্নৰ উত্তৰঃ নাটকখনত গৌড়ী ৰীতিৰ প্ৰয়োগ হৈছে।

৯ নং প্ৰশ্নৰ উত্তৰঃ ভট্টনাৰায়ণৰ লিখনিৰ এটা দোষ হ'ল দীৰ্ঘ সমাসবদ্ধ পদৰ প্ৰয়োগ।

১০ নং প্ৰশ্নৰ উত্তৰঃ বেণীসংহাৰ নাটকৰ উৎস মহাভাৰত।

১১ নং প্ৰশ্নৰ উত্তৰঃ বেণীসংহাৰ নাটক আলংকাৰিকসকলৰ প্ৰিয়।



১৩.১২ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ নাট্যকাৰ ভট্টনাৰায়ণৰ জীৱনৰ বিষয়ে লিখক।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ নাট্যকাৰ ভট্টনাৰায়ণৰ পাণ্ডিত্যৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ নাট্যকাৰ ভট্টনাৰায়ণৰ লিখনিৰ বৈশিষ্ট্যৰ বিষয়ে লিখক।

প্ৰশ্ন ২ঃ সংস্কৃত নাট্যকাৰসকলৰ ভিতৰত ভট্টনাৰায়ণৰ স্থান আলোচনা কৰক।

*** ***** ***